# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-10-2024
**Time :** 18-45 Hrs

# Assamese Evening Bulletin
### *HEADLINES*

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ সামৰণি। সমষ্টি কেইটাৰ বাবে মুঠ ৩৮ জন প্ৰাৰ্থীৰ মনোনয়ন দাখিল।

২। তৃতীয় আৰু চতুৰ্থবৰ্গৰ মুঠ পাঁচ হাজাৰ ২৩টা খালী পদৰ বাবে পৰহিলৈ প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা। সম্পূৰ্ণ স্বচ্ছ আৰু নিকাকৈ পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় প্ৰস্তুতি অব্যাহত।

৩। গুৱাহাটীৰ জ্যোতি চিত্ৰবনত কাইলৈৰ পৰা অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ। ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবিৰ প্ৰদৰ্শনৰ ব্যৱস্থা।

৪। ডিব্ৰুগড়ত অনুষ্ঠিত সৰ্বভাৰতীয় পৰ্যায়ৰ ছাব জুনিয়ৰ ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অংশগ্ৰহণ।

*আৰু*

৫। পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ আজি দ্বিতীয়দিনৰ খেলৰ সামৰণিৰ পৰলৈকে ভাৰতৰ বিৰুদ্ধে নিউজিলেণ্ডৰ ৫ উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত ১৯৮ ৰান সংগ্ৰহ।

০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিনা ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰে। উপ-নিৰ্বাচনৰ বাবে আটাইকেইটা ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীকে ধৰি মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। আজি বিহালী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বৰাই মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীগৰাকীক কংগ্ৰেছৰ ৰাজ্যিক সমিতিৰ শীৰ্ষ নেতৃত্বৰ লগতে সাংসদ গৌৰৱ গগৈ উপস্থিত থাকে। আনহাতে ছিদলী বিধানসভা সমষ্টিৰ বি পি এফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে আজি বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত মনোনয়ন-পত্ৰ দাখিল কৰে। বঙাইগাঁৱৰ অগপৰ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰীয়েও বহু সমৰ্থকৰ উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁৰ লগত দলৰ সভাপতি অতুল বৰাকে ধৰি বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, সাংসদ ফণী ভূষণ চৌধুৰী, ইউ পি পি এল দলৰ সাংসদ জয়ন্ত বসুমতাৰী, ৰাজ্য সভাৰ সাংসদস ৰণগৌড়া নাৰ্জাৰীকে ধৰি কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে। সমষ্টিটোৰ কংগ্ৰেছৰ প্ৰাৰ্থী ব্ৰজেন জিৎ সিংহয়ো আজি মনোনয়ন পত্ৰ দাখিল কৰে। সিংহই মনোনয়ন পত্ৰ দাখিলৰ সময়ত কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতাদ্বয় ভূপেন বৰা আৰু মীৰা বৰঠাকুৰ উপস্থিত থাকে।

ইপিনে, আম আদমী পাৰ্টীৰ প্ৰাৰ্থী অনন্ত গগৈয়ে বিহালীত আৰু নুৰুল আমীন চৌধুৰীয়ে চামগুৰিত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলপৰ্বত নুৰুল আমীন চৌধুৰীৰ লগত আপৰ ৰাজ্যিক সভাপতি

মনোজ ধানোৱাৰকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ দলীয় নেতা উপস্থিত থাকে। অনন্ত গগৈৰ সৈতেও দলৰ ৰাষ্ট্ৰীয় তত্বাৱধায়ক ৰাজেশ শৰ্মাকে ধৰি ৰাজ্যিক পৰ্যায়ৰ কেইবাজনো নেতা উপস্থিত থাকে।

০০০

ৰাজ্যৰ ২৮ খন জিলাত ৪২টা বিভাগৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ মুঠ পাঁচ হাজাৰ ২৩টা খালী পদৰ বাবে এই পৰীক্ষা পৰহিলৈ অনুষ্ঠিত হ'ব। পুৱা ৯ বজাৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে আৰু ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে দুয়োবেলাৰ পৰীক্ষাত ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। নিযুক্তি আয়োগৰ অধ্যক্ষ তথা অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে এই প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সন্দৰ্ভত আজি এখন সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলখনত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনৰ লগতে আয়ুক্ত সচিব তথা নিযুক্তি আয়োগৰ সদস্য জয়ন্ত নাৰ্লিকাৰকে ধৰি অন্যান্য বিষয়াসকলো উপস্থিত থাকে। পৰীক্ষাৰ্থীসকলক আগতীয়াকৈ গৈ পৰীক্ষা কেন্দ্ৰসমূহ চাই অহাৰ লগতে মহিলা পৰীক্ষাৰ্থীৰ তালাচীৰ বাবে অংগনবাড়ী কৰ্মীৰ নিয়োগ কৰা হ'ব বুলি নিযুক্তি আয়োগে জানিবলৈ দিয়ে। পৰীক্ষাৰ্থীসকলক কোনো ধৰণৰ অসুবিধাৰ পৰা হাত সাৰিবলৈ তেওঁলোকক সোনকালে প্ৰৱেশ পত্ৰসমূহ সংগ্ৰহ কৰি আগতীয়াকৈ পৰীক্ষা কেন্দ্ৰৰ বিষয়ে অৱগত হৈ থাকিবলৈ আহ্বান আয়োগে জনায়।

পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনে এইদৰে কয়— ***(বাইট)***

০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে পৰহিলৈ গুৱাহাটীত উপস্থিত হ'ব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে। পৰহিলৈ সন্ধিয়া কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে।

০০০

ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে দীপাৱলী উদযাপন বিশেষ কৰি তুলিবলৈ ৰাজ্য চৰকাৰে ২৮ অক্টোবৰৰ পৰা তেওঁলোকৰ দৰমহা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে উল্লেখ কৰি আগতীয়াকৈ দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে।০

০০০

অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ কাইলৈ আৰু পৰহিলৈ গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত হ'ব। এই মহোৎসৱত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবিৰ প্ৰদৰ্শন কৰা হ'ব। প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী-- এই দুয়োটা শাখাত ছবিসমূহ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব সংবাদকেন্দ্ৰ, অসমৰ সহযোগী অনুষ্ঠান চলচিত্ৰমৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মূল বিষয়বস্তুৰ উপৰি মহোৎসৱত ভূমি আৰু মানুহ, পৰ্যটন, কলা, হস্তশিল্প আৰু বস্ত্ৰ, পাণ্ডুলিপি আৰু পাণ্ডুলিপি চিত্ৰাংকন, চিত্ৰাংকন আৰু কাঠত খোদাই কৰা কলা, সংগীত আৰু সংগীতজ্ঞ, সাংস্কৃতিক উৎসৱ, স্মৃতি সৌধ আৰু ঐতিহ্যক্ষেত্ৰ, সমাজ সংস্কাৰক আৰু আগৰণুৱাসকলক, ক্ৰীড়া, চাহ আৰু তৈল উদ্যোগ, সংস্কৃতি আৰু মূল্যবোধ, সামাজিক সজাগতা, পৰিয়াল ব্যৱস্থা, মহিলা, পৰিৱেশ আদি বিষয়কো প্ৰাধান্য দিয়া হৈছে। চলচ্চিত্ৰৰ

জৰিয়তে ৰাষ্ট্ৰীয়তাবাদক উৎসাহিত কৰাৰ লগতে ভাৰতৰ কেইবা হাজাৰবৰ্ষ পূৰণি সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যক শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে দুদিনীয়াকৈ এই মহোৎসৱৰ আয়োজন কৰা হৈছে। কাইলৈ এই মহোৎসৱ কটন বিশ্ববিদ্যালয়ৰ উপচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই উদ্বোধন কৰিব। অনুষ্ঠানত সংগীত শিল্পী তৰালী শৰ্মা উপস্থিত থাকিব। প্ৰবাল খাউণ্ড পৰিচালিত আৰু গোপাল জালানৰ লগতে ধ্ৰুৱজ্যোতি কাকতি প্ৰযোজিত দ্যা লাষ্ট জেনেৰেচন ছবিৰে মহোৎসৱৰ উদ্বোধন কৰা হ'ব। পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ মহোৎসৱৰ দ্বাৰ মুকলি থাকিব।

০০০

নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী তথা কৃষি মন্ত্ৰী অতুল বৰাই আজি নলবাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত বিভিন্ন বিভাগৰ আঁচনিসমূহৰ ৰূপায়ণ সন্দৰ্ভত বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে যে, অহা মে'ৰ মাহৰ ভিতৰত কৃষি বিভাগত এহেজাৰ ৮০০ গৰাকী গ্ৰামসেৱকক নিযুক্তি দিয়া হ'ব। ইতিমধ্যে এই সন্দৰ্ভত বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও মন্ত্ৰী শ্ৰীবৰাই উল্লেখ কৰে।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

ডিব্ৰুগড়ত সৰ্বভাৰতীয় পৰ্যায়ৰ ছাব জুনিয়ৰ ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজি এই প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। উদ্বোধনী ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে, ডিব্ৰুগড় চহৰত এনে এখন সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাটো সমগ্ৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বাবে অতি আশাব্যঞ্জক। উল্লেখযোগ্য যে দেশৰ বিভিন্ন ৰাজ্যৰ খেলুৱৈয়ে এই প্ৰতিয়োগিতাত অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ অহা খেলুৱৈসকলক স্বাগতম জনাই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়—

*(বাইট ঃ সৰ্বানন্দ সোণোৱাল)*

০০০

হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভণি অনুষ্ঠান অহা ২ নৱেম্বৰত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে পুৱা পতাকা উত্তোলন কৰিব। বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত বংকিম চন্দ্ৰ শৰ্মাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰা হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আৰু দিনৰ এক বজাত শুভাৰম্ভণি সভা অনুষ্ঠিত হ'ব। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত উপস্থিত থাকিব। সন্ধিয়াৰ ভাগলৈ বিদ্যালয় চৌহদত বন্তি প্ৰজ্বলন কৰা হ'ব।

০০০

মাজুলীত নেচনেল কোৱালিটি এচ্যুৰেন্স ষ্টেণ্ডাৰ্ডৰ বাবে ওড়িশা আৰু কলকাতাৰ পৰা অহা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মূল্যায়ক ড০ সঞ্জীৱ কুমাৰ দাস আৰু ডাঃ মিথুন বানিকে ভকতিদুৱাৰ আয়ুষ্মান আৰোগ্য মন্দিৰৰ মূল্যায়ন কাৰ্য সম্পন্ন কৰে। এই কাৰ্যসূচীত মাজুলি জিলা স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ লগতে ভকতিদুৱাৰ আয়ুষ্মান আৰোগ্য মন্দিৰৰ কৰ্মীসকল আৰু আশাকৰ্মী, এ এন এম, আদি উপস্থিত থাকে।

০০০

বাক্সা জিলাৰ মুছলপুৰৰ বাথৌফুৰি খেলপথাৰত আজি বিটিচিৰ অধীনত এলানি আলোচনাচক্ৰ আৰু প্ৰদৰ্শনী অনুষ্ঠিত হয়। কৃষি বৈচিত্ৰতা বৃদ্ধি আৰু কৃষক সমাজৰ মাজত সহযোগিতা বৃদ্ধিৰ বাবে বিটিআৰৰ সমবায় সমিতিসমূহক একত্ৰিত কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে আলোচনাচক্ৰ আৰু প্ৰদৰ্শনীৰ উদ্বোধন কৰি কৃষিখণ্ডত সমবায় সমিতিয়ে পালন কৰা পৰিৱৰ্তনশীল ভূমিকা সন্দৰ্ভত মন্তব্য কৰে। বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মসহ বহুকেইগৰাকী ব্যক্তিয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০

মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত আজি ৪০ খন গ্ৰন্থ উন্মোচন কৰা হয়। গড়মুৰৰ জিলা লেখিকা সমাৰোহ সমিতিৰ কাৰ্যালয়ত নৱম সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানত গ্ৰন্থকেইখন উন্মোচন কৰা হয়।

০০০

ৰাষ্ট্ৰীয় বাহকজনিত ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত মেলেৰীয়া নিৰ্মূল প্ৰকল্পৰ বাবে এইডছ, যক্ষ্মা আৰু মেলেৰীয়াৰ বিৰুদ্ধে যুঁজ দিবলৈ গুৱাহাটীত কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মহা প্ৰৱন্ধক অধ্যাপক অতুল গোৱেলৰ সভাপতিত্বত যোৱা ২৩ অক্টোবৰৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে গ্লোবেল ফাণ্ডৰ এখন উচ্চ পৰ্যায়ৰ আঞ্চলিক পৰ্যালোচনা সভা অনুষ্ঠিত হয়। পৰ্যালোচনা সভাত অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ আয়ুক্ত সচিব, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অৰ্থনৈতিক উপদেষ্টা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান-অসমৰ অভিযান সঞ্চালক, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ সঞ্চালককে ধৰি কেইবাগৰাকীও উচ্চ পদস্থ বিষয়া উপস্থিত থাকে। তিনিদিনীয়া এই কাৰ্যসূচীত অসমৰ লগতে অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা, ঝাৰখণ্ড, ওড়িশা আৰু চত্তিশগড়ৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। ২০২৭ চনৰ ভিতৰত দেশজুৰি বাহকজনিত ৰোগৰ লগতে মেলেৰীয়া প্ৰতিৰোধ কৰি সুস্থ পৰিবেশ গঢ়ি তোলাৰ লগতে ৰাজ্যসমূহৰ G.F.A.T.M. প্ৰকল্পৰ বাবে মেলেৰীয়া নিৰ্মুলৰ দিশে আগবঢ়াৰ অগ্ৰগতিৰ বিষয়ে সভাত বিশদভাৱে আলোচনা কৰা হয়। ইয়াৰ উপৰি সভাত G.F.A.T.M. প্ৰকল্প ৰাজ্যসমূহৰ অধীনৰ এপিডেমিঅ'লজিকেল পৰিস্থিতিৰ বিষয়ে পৰ্যালোচনা কৰা হয়। তদুপৰি ৰাজ্যখনৰ নিৰ্বাচিত ৩ খন স্বাস্থ্যকেন্দ্ৰলৈ গৈ পুংখানুপুংখভাৱে নিৰীক্ষণ আৰু মূল্যায়ন কৰাৰ লগতে স্বাস্থ্য কেন্দ্ৰসমূহৰ প্ৰয়োজনীয় ঔষধ যাৱতীয় আচবাব ক্ৰয়, প্ৰচাৰ আৰু প্ৰসাৰ কাৰ্যকলাপ, স্বাস্থ্য কেন্দ্ৰসমূহে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ ক্ষেত্ৰত সৃষ্টি হোৱা বিভিন্ন উপাদানসমূহৰ বিষয়ে পৰ্যালোচনা কৰে।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মানসিক স্বাস্থ্যৰ যতন সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰিব। অনুষ্ঠানত মানসিক ৰোগৰ চিকিৎসক

ডা০ জয়ন্ত দাস সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি তেখেতৰ সৈতে কথা পাতিব পাৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ আজি দ্বিতীয়দিনৰ খেলৰ সামৰণিৰ পৰলৈকে ৫ উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত ১৯৮ ৰান সংগ্ৰহ কৰে। আলহী দলটো হাতত ৫টা উইকেট বাকী থকা অৱস্থাত ভাৰততকৈ সামগ্ৰিকভাৱে ৩০১ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথম ইনিংছত সংগ্ৰহ কৰা ২৫৯ ৰানৰ প্ৰত্যুত্তৰত ভাৰতে ১৫৬ ৰানতে প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ অলৰাউণ্ডাৰ মিচেল চেণ্টনৰে  ৭টা উইকেট দখল কৰে। নিউজিলেণ্ড এই তিনিখনীয়া শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। আলহী দলটোৱে বাংগালুৰুত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক ৮ উইকেটত পৰাস্ত কৰিছে।

০০০

সমাপ্ত